# Phone call between Prime Minister and H.E. Benjamin Netanyahu, Prime Minister of Israel

June 10, 2020

---

# প্ৰধানমন্ত্ৰী আৰু ইজৰাইলৰ প্ৰধানমন্ত্ৰী মহামান্য বেঞ্জামিন নেতান্যাহুৰ মাজত টেলিফোন যোগে বাৰ্তালাপ

জুন 10, 2020

প্ৰধানমন্ত্ৰীয়ে আজি ইজৰাইলৰ প্ৰধানমন্ত্ৰী মহামান্য বেঞ্জামিন নেতান্যাহুৰ সৈতে টেলিফোন যোগে বাৰ্তালাপ কৰে।

তেখেতে প্ৰধানমন্ত্ৰী নেতান্যাহুক পুনৰাই ক্ষমতা গ্ৰহণৰ কাৰণে তেখেতক অভিনন্দন জ্ঞাপন কৰে আৰু তেখেতৰ যোগ্য নেতৃত্বত ভাৰত আৰু ইজৰাইলৰ অংশীদাৰিত্ব আৰু অধিক বৃদ্ধি পাব বুলি আশা প্ৰকাশ কৰে।

দুয়োগৰাকী নেতাই ভাৰত আৰু ইজৰাইলৰ মাজত ক'ভিড-19 মহামাৰীৰ পৰিপ্ৰেক্ষিতত প্ৰতিষেধক, চিকিৎসা ব্যৱস্থা আৰু ডায়াগ্নষ্টিকছৰ ক্ষেত্ৰত গৱেষণা আৰু উন্নয়নৰ প্ৰচেষ্টা সহ সাম্ভাৱ্য সহযোগিতাৰ ক্ষেত্ৰখন বৃদ্ধিৰ সন্দৰ্ভত আলোচনা কৰে। তেওঁলোকে দুয়োখন দেশৰ বিশেষজ্ঞসকলৰ মতামত আদান প্ৰদান বজাই ৰাখাৰ ক্ষেত্ৰত সহমত পোষণ কৰে আৰু আশা কৰে যে এই সহযোগিতাৰ সুফল সমগ্ৰ মানৱজাতিৰ সুবিধাৰ কাৰণে ব্যৱহাৰ কৰা হব।

দ্বিপাক্ষিক সম্পৰ্কৰ বিভিন্ন বিষয় সন্দৰ্ভত দুয়োগৰাকী নেতাই পৰ্যালোচনা কৰে আৰু ক'ভিডৰ পৰৱৰ্তী সময়ত বিভিন্ন ক্ষেত্ৰত অংশীদাৰিত্ব বৃদ্ধিৰ ওপৰত গুৰুত্ব আৰোপ কৰে। স্বাস্থ্য প্ৰযুক্তি, কৃষি উদ্ভাৱন, প্ৰতিৰক্ষা সহযোগিতা আৰু তথ্য প্ৰযুক্তি ক্ষেত্ৰত ভাৰত-ইজৰাইলৰ সম্পৰ্ক আৰু বৃদ্ধি পোৱাৰ সুযোগক কাৰ্যকৰী কৰাৰ বিষয়ক লৈ তেওঁলোকে আলোচনা কৰে।

দুয়োগৰাকী নেতাই পৰস্পৰৰ সৈতে যোগাযোগ বজাই ৰখা আৰু পৰিৱৰ্তনশীল আন্তঃৰাষ্ট্ৰীয় ক্ষেত্ৰত বিভিন্ন সমস্যা আৰু সুযোগৰ বিষয়ে আলোচনা অব্যাহত ৰখাৰ প্ৰসংগত সহমত পোষণ কৰে।

**নতুন দিল্লী**
**জুন 10, 2020**

DISCLAIMER: This is an approximate translation. The original is available in English on MEA's website and may be referred to as the official press release.